জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০২/২০২০

শদিয়া মহকুমাত ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## কৃষি, পশুপালন আৰু মৎস্য খণ্ডত বাণিজ্যিকভাৱে উৎপাদন কৰা কৃষকসকলৰ পৰিসংখ্যা সংগ্ৰহ কৰি শীঘ্ৰে বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## প্ৰশাসনে জ্যেষ্ঠ নাগৰিক, নেতৃস্থানীয় ব্যক্তি, গাঁও বুঢ়াকে ধৰি বিভিন্ন ব্যক্তি আৰু সংগঠনৰ সৈতে নিয়মিতভাৱে মত-বিনিময় কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ এপ্ৰিল ঃ** গ্ৰাম্য অৰ্থনীতি পুনৰ শক্তিশালী কৰাৰ বাবে কৃষি, পশুপালন, মৎস উৎপাদনত বাণিজ্যিকভাৱে নিয়োজিত কৃষকসকলৰ পৰিসংখ্যা সংগ্ৰহ কৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰীয়ে যাতে উপযুক্ত বজাৰ লাভ কৰিব পাৰে তাৰ বাবে সুদৃঢ় ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শদিয়া মহকুমা প্ৰশাসনক নিৰ্দেশ দিয়ে। সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ এই মহকুমাটোৰ লগত অৰুণাচল প্ৰদেশৰ ল'ৱাৰ দিবাং ভেলী আৰু লোহিত জিলা সংলগ্ন হৈ থকাৰ প্ৰতি লক্ষ্য ৰাখি তথা সাম্প্ৰতিক ন'ভেল কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দুয়োখন ৰাজ্যৰ মাজত এই সীমান্তইদি যাতে কোনো ব্যক্তি তথা যান-বাহনৰ চলাচল হ'ব নোৱাৰে এয়া সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ প্ৰশমন ৰোধৰ বাবে শদিয়া মহকুমা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ বাবে আজি শদিয়া মহাকুমাধিপতি কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সীমান্তৱৰ্তী গাঁৱকে ধৰি কোনো ঠাইৰ জনসাধাৰণে যাতে অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'ব নালাগে সেই বিষয়টো প্ৰশাসনে সুনিশ্চিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ এ ইতিবাচক দৃষ্টিভংগীৰে কাম কৰাৰ সুযোগ প্ৰদান কৰিছে। গ্ৰাম্য অৰ্থনীতি অধিক জীপাল কৰাৰ বাবে লাভ কৰা সুযোগ প্ৰতিটো বিভাগে সদ্ ব্যৱহাৰ কৰি অধিক কৰ্মতৎপৰতা প্ৰদৰ্শন কৰিব লাগিব। জনসাধাৰণৰ সেৱাৰ বাবে প্ৰশাসনে দিনে-নিশাই একাকাৰ হৈ কাম কৰাৰ বাবে প্ৰস্তুত থাকিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে মহকুমাটোৰ জ্যেষ্ঠ নাগৰিক, নেতৃস্থানীয় ব্যক্তি, গাঁও বুঢ়া, স্বাস্থ্য বিভাগৰ কৰ্মী, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন ইত্যাদিৰ সৈতে নিয়মিতভাৱে মত-বিনিয়ম কৰি পৰামৰ্শ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে।

দ্বিতীয় পৰ্যায়ৰ লক্-ডাউনৰ সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনাৰ আৰ্হিৰে যিবোৰ ক্ষেত্ৰত শিথিলতা দিয়া হৈছে সেই ক্ষেত্ৰবোৰত যাতে সামাজিক দূৰত্ব বজাই ৰাখি কাম-কাজ অব্যাহত ৰাখে সেয়া সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে খাদ্যৰ মজুতকৰণ আৰু যোগান ব্যৱস্থাকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে বলীন চেতীয়া, সুৰেন ফুকন, বিমল বৰা, তিনিচুকীয়া জিলাৰ উপায়ুক্ত ভাস্কৰ পেগু, উপ আৰক্ষী মহাপৰিদৰ্শক (উত্তৰ-পূব সংমণ্ডল) জিৎমল দলে, তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক শিলাদিত্য চেতীয়া, শদিয়াৰ মহকুমাধিপতি

শ্যামলাল ক্ষেত্ৰীয় গগৈ প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে লক্-ডাউনৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচীত অসমৰ জনসাধাৰণে সামাজিক দূৰত্ব বৰ্তাই ৰাখি এই কাৰ্যসূচী সফল ৰূপ দিয়াৰ বাবে প্ৰয়াস কৰিছে। প্ৰথম পৰ্যায়ৰ লক্-ডাউন কাৰ্যসূচীৰ দৰে দ্বিতীয় পৰ্যায়তো অসম চৰকাৰৰ তৰফৰ পৰা অসমৰ জনগণক উন্নত মানদণ্ডৰ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত যৎপৰোনাস্তি চেষ্টা চলোৱা হৈছে। অসম চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰতিখন জিলা তথা মহকুমাৰ স্বাস্থ্য খণ্ডত যিসমূহ পদক্ষেপ গ্ৰহণ কৰিছে তাৰ ফলত ক'ভিড-১৯ ত আক্ৰান্ত ৰোগী সকলক উন্নত মানদণ্ডৰ চিকিৎসা প্ৰদান কৰি আৰোগ্য কৰাটো সম্ভৱ হৈ উঠিছে। এনে ধৰণে ক'ভিড-১৯ ৰ পৰা উৎপত্তি হ'ব পৰা যিকোনো প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিবৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে সকলো প্ৰস্তুতি সম্ভৱ কৰি তুলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইয়াৰ ফলত ৰাইজৰ মাজত আত্মবিশ্বাস বৃদ্ধি পাইছে। সমান্তৰালভাৱে এই সময়ছোৱাৰ ভিতৰত অসমৰ কোনো লোকে অনাহাৰে থাকিব নালাগে তাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা বিনামূলীয়া খাদ্য বস্তু যোগান ধৰাৰ বাবেও ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসমত এতিয়ালৈকে ৫৮ লাখ পৰিয়ালক বিনামূলীয়াকৈ চাউল যোগান ধৰা হৈছে তথা ছাত্ৰ-ছাত্ৰীসকলক অৰ্থিক দিশত সকাহ প্ৰদান হৈছে বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়। অসমৰ যিসকলক ছাত্ৰ-ছাত্ৰী বিদেশত আছে তেওঁলোকৰ বাবেও আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিভিন্ন কৰ্মক্ষেত্ৰৰ বাবে লক্-ডাউনৰ সময়ছোৱাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত আবদ্ধ হৈ থকা অসমৰ ব্যক্তিসকলকো আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান ক্ৰমে জনগণে লক্-ডাউন কাৰ্যসূচী পালন কৰি থকা অৱস্থাত যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে সেয়া নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰিছে।

লক্-ডাউনৰ নীতি-নিয়ম নিষ্ঠাৰে মানি চলাৰ বাবে অসমৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনগণে শৃংখলাৱদ্ধভাৱে থাকি এই কাৰ্যসূচীক সফল ৰূপদান দিছে। ক'ভিড-১৯ ৰ বিৰুদ্ধে সূচনা হোৱা যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব দিয়া চিকিৎসক, নাৰ্ছ, আশা কৰ্মী, লেবৰেটৰী টেকনিচিয়ান, এম পি ডব্লিউ, ৱাৰ্ড বয়, এম্বুলেঞ্চৰ চালক, ছাফাই কৰ্মীসকলক যাতে সকলোৰে সন্মান প্ৰদৰ্শন কৰে তাৰ বাবে অসমৰ জনগণক মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। সমান্তৰালভাৱে অসম আৰক্ষীয়েও ২৪ ঘন্টাই জনগণৰ স্বাৰ্থত আত্মনিয়োগ কৰিছে বুলি উল্লেখ কৰি সুলভ-মূল্যৰ দোকান পৰিচালনা কৰা ব্যক্তিসকলেও আন্তৰিকতাৰে জনসাধাৰণক দুৰ্যোগপূৰ্ণ এই সময়ছোৱাত সকাহ দিবলৈ উদ্যোগ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলে গ্ৰহণ কৰা নেতৃত্বৰো মুখ্যমন্ত্ৰী সোণোৱালে শলাগ লয়। আনহাতে, আৰক্ষী জিলা শদিয়া সীমান্তৱৰ্তী এলেকা হিচাপে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণৰ সহযোগত অসমে দ্বিতীয় পৰ্যায়ৰ লক্-ডাউনৰ কাৰ্যসূচী সফল কৰিবলৈ সক্ষম হ'ব আৰু এই যুঁজত ৰাজাবীস জয়ী হ'ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে দৃঢ়তা প্ৰকাশ কৰে।

**পুঃডেঃ**
**২৩/৪/২০২০**